**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 26-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**-----------------------------**

০০০০০০

ডিব্ৰুগড়ৰ নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিৎ ঘোষ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এইকথা সদৰি কৰিছে। বাৰ্তাটোত তেওঁ কয়, যে এই সন্মানে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰাই নহয়, চাহ বাগিচা অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনলৈও আশাৰ বাৰ্তা বহন কৰিছে। এই কৃতিত্বই ৰাজ্যৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে শৈক্ষিক সমাজখনক অনুপ্ৰেৰণা যোগাব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। অহা ৫ ছেপ্তেম্বৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁক আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ২০২৩ চনত দেৱজিৎ ঘোষ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰে সন্মানিত হৈছিল।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বি টি চিৰ পৰ্বতঝোৰাত এখন জনসভাত অংশগ্ৰহণ কৰিছে। বি টি চিৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এইখন জনসভাতো মুখ্যমন্ত্ৰীগৰাকী ভি চি ডি চিৰ বিৰুদ্ধে সৰৱ হৈ উঠে। ভি চি ডি চি ব্যৱস্থাই সৰ্বসাধাৰণ দৰিদ্ৰ জনতাক শোষণ কৰা বুলি অভিযোগ কৰি ডঃ শৰ্মাই কয়, যে এইবাৰ বি টি চিত বিজেপিয়ে চৰকাৰ গঠন কৰিলে ভি চি ডি চি ব্যৱস্থা প্ৰত্যাহাৰ কৰা হ'ব। তেওঁ লগতে বিজেপিৰ চৰকাৰ হ'লে বি টি চিত অৰুণোদয়কে ধৰি বিভিন্ন চৰকাৰী আঁচনি প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰাটো নিশ্চিত কৰা হ'ব বুলিও প্ৰতিশ্ৰুতি দিয়ে।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি কোকৰাঝাৰ জিলাত দুখনকৈ সংকল্প সভাত অংশগ্ৰহণ কৰি কয়, যে বিটিচিত বিজেপি চৰকাৰ হ'লে কোনো দ্বিতীয় শ্ৰেণী নাগৰিক নাথাকিব। বিটিচি চুক্তি স্বাক্ষৰ হোৱাৰ ২২ বছৰ পাছতো অঞ্চলটোৰ ৰাইজে আজিও বিচৰাধৰণে অধিকাৰ নাপালে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিজেপিৰ লক্ষ্য হৈছে বিটিচিৰ প্ৰতিটো জাতি-জনগোষ্ঠীক প্ৰথম শ্ৰেণীৰ নাগৰিকৰ মৰ্যাদা আৰু অধিকাৰ প্ৰদান কৰা। বিটিআৰ বাসীৰ মাটি-বাৰীৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধান, শিক্ষাৰ উন্নয়ন, মহিলাৰ স্ব-নিৰ্ভৰশীলতা, আন্তঃগাঁথনি উন্নয়ন, যুৱ শক্তিৰ বিকাশ আৰু জীৱন জীৱিকাৰ সৰ্বাংগীন বিকাশেৰে বিজেপিয়ে এখন নতুন বিটিআৰৰ সপোন ৰচা বুলিও তেওঁ কয়। জিলাখনৰ কালিপুখুৰী হাউৰীয়া মাগুলিক বাক্ৰা খেলপথাৰত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি ডঃ শৰ্মাই ১২ নম্বৰ ছালাকাটি পৰিষদীয়ৰ সমষ্টিৰ দলীয় কৰ্মকৰ্তাসকলক সম্বোধন কৰাৰ পাছতে কাশিয়াবাৰীৰ আৰনাই খেলপথাৰত আয়োজিত আন এখন সভাত অংশগ্ৰহণ কৰে। এই সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মহিলাসকলে বিজেপিৰ শাসনত স্ব-নিৰ্ভৰলশীলতাৰ দিশে আগবঢ়াৰ প্ৰসংগও দাঙি ধৰে।

ইপিনে, আসন্ন বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ বিভিন্ন ৰাজনৈতিক দলে বি টি আৰৰ অন্তৰ্গত জিলা কেইখনত তৎপৰতা অব্যাহত ৰাখিছে। ইউ পি পি এল দলে কালি কোকৰাঝাৰত সুসংগত বড়োলেণ্ড শীৰ্ষক এটা সমদলৰ আয়োজন কৰে। নিৰ্বাচনৰ বাবে ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলে কালি ৩০ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজি আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত বিগত ৫ বছৰত অসমলৈ ৩ হাজাৰ ৫৫৯ কোটি ১৯ লাখ টকা মুকলি কৰি দিছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কালি তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজ্য সভাত এই তথ্য প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দিয়া তথ্য অনুসৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত ২০২০-২১ বিত্তীয় বৰ্ষত অসমলৈ ৬১৭ কোটি ৬০ লাখ টকা মুকলি কৰি দিছে। একেদৰে ২০২১-২২ বিত্তীয় বৰ্ষত ৬১৭ কোটি ৬০ লাখ টকা, ২০২২-২৩ বিত্তীয় বৰ্ষত ৬৪৮ কোটি ৮০ লাখ টকা, ২০২৩-২৪ বিত্তীয় বৰ্ষত ৬৮০ কোটি ৮০ লাখ টকা আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত ৬৭১ কোটি টকা মুকলি কৰি দিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত ২০২০-২১ বিত্তীয় বৰ্ষত ৪৪ কোটি ৩৭ লাখ টকা, ২০২২-২৩ বিত্তীয় বৰ্ষত ২৫০ কোটি আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৯ কোটি ২ লাখ টকা মুকলি কৰি দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰিছে।

০০০০০০০

যোৱা ২০ আগষ্টত তামুলপুৰ জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত সুবাগপুৰ ভৰালী চ'কত এটা দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তেজিত লোকৰ আক্ৰমণত এজন যুৱক নিহত হোৱা ঘটনা সম্পৰ্কত তামুলপুৰৰ জিলা দণ্ডাধীশৰ নিৰ্দেশ মৰ্মে গোৰেশ্বৰৰ চক্ৰ বিষয়া ত্ৰিলিনা টাইডে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কালি অভিষেক দাস নামৰ মৃত যুৱকজনৰ চাৰিজন বন্ধু যুৱৰাজ বড়ো, ধ্ৰুৱজ্যোতি গুৰুং, নৱজ্যোতি দাস আৰু মাৰ্টিন বসুমতাৰীক সোৱাগপুৰ থানালৈ মাতি নি ভাষ্য গ্ৰহণ কৰাৰ পাছত তেওঁলোকৰ স্বাস্থ্য পৰীক্ষাও কৰোৱা হয়। আৰক্ষীৰ এটা উচ্চ পৰ্যায়ৰ দলে তামুলপুৰ ভ্ৰমণ কৰি ঘটনাৰ সবিশেষ বুজ লয়। ঘটনাটো সন্দৰ্ভত তামুলপুৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১০৩, এক ধাৰাৰ ৬০-২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰখা হৈছে। উল্লেখযোগ্য যে, জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তীয়ে এই ঘটনা সন্দৰ্ভত কালি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছিল। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আৰু জনসাধাৰণৰ মাজত সৃষ্টি হোৱা ক্ষোভৰ পৰিপ্ৰেক্ষিতত গোৰেশ্বৰৰ চক্ৰ বিষয়াগৰাকীক পুংখানুপুংখ তদন্ত কৰি শীঘ্ৰেই প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাত উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে ঘটনাৰ উচিত তদন্ত কৰা হ'ব বুলি কালি ঘোষণা কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা ২০ আগষ্টৰ বিয়লিৰ ভাগত জিলাখনৰ কচুকাটা গাঁৱৰ অৱসৰপ্ৰাপ্ত সৈনিক দীপক দাসৰ একমাত্ৰ পুত্ৰ অভিষেক দাসে তেওঁৰ চাৰিজন বন্ধুৰ সৈতে তেওঁৰ নিজা গাড়ীৰে বগামাটিৰ পৰা উভতি অহাৰ সময়ত বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে এখন তিনিচুকীয়া বাহন আৰু পাছত এখন দোকানত খুন্দা মাৰে। এই ঘটনাৰ খবৰ পাই একাংশ লোক উপস্থিত হয় আৰু গাড়ীচালকৰ আসনত থকা অভিষেকক ওচৰৰ এঠাইলৈ টানি নি মাৰধৰ কৰে। উন্মত্ত লোকৰ আক্ৰমণত গুৰুতৰভাৱে আহত অভিষেকক আৰক্ষীয়ে চিকিৎসাৰ বাবে ৰঙিয়ালৈ আনে যদিও আদবাটতে যুৱকজনৰ মৃত্যু হয়। অভিষেক দাসৰ পিতৃয়ে এই ঘটনা সন্দৰ্ভত তামুলপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ২০১৮ চনত কাৰ্বি আংলঙত অভি-নীল হত্যাকাণ্ডৰ দুঃসহ স্মৃতি সোঁৱৰাই দিয়া এই ঘটনা সন্দৰ্ভত সমগ্ৰ ৰাজ্যতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

০০০০০০০

**সমাপ্ত**